জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৫/২০২০

## ডিব্ৰুগড়ত বিভিন্ন কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## দিহিং-পাটকাই পৰিদৰ্শনৰ পিছত বন মন্ত্ৰীয়ে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব পৰৱৰ্তী পদক্ষেপ

### কোৱাৰেণ্টাইনৰ নীতি-নিয়ম ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

### ৰাজ্য চৰকাৰ অসমৰ জৈৱ বিবিধতা সংৰক্ষণৰ দিশত দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ মে'ঃ** 'অসমৰ পাৰিপাৰ্শ্বিকতা আৰু জৈৱ বিবিধতা সংৰক্ষণৰ দিশত আমি দায়বদ্ধ। সেয়েহে ৰাজ্যখনৰ প্ৰাকৃতিক শোভা, ইয়াৰ সেউজ আৱৰণ আৰু প্ৰাকৃতিক সমলসমূহ সংৰক্ষণৰ দিশত ৰাজ্য চৰকাৰৰ ঐকান্তিকতাৰ ওপৰত কোনেও সন্দেহৰ চকুৰে চোৱা উচিত নহয়। মই ইতিমধ্যে ৰাজ্যৰ বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যক দিহিং-পাটকাই পৰিদৰ্শন কৰি অঞ্চলটোৰ বৰ্তমানৰ পৰিস্থিতিৰ চৰজমিন বুজ লোৱাৰ নিৰ্দেশ দিয়াৰ লগতে এই সম্বন্ধে প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিছোঁ যাতে ৰাজ্য চৰকাৰে এই দিশত পৰৱৰ্তী পদক্ষেপ ল'ব পাৰে।' - আজি ডিব্ৰুগড়ত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ক'ভিড-১৯ ৰোগৰ বাবে দ্বিতীয় পৰ্যায়ত স্থাপন কৰা সৰ্বমুঠ ৪ টা কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন কৰি ইয়াত উপলব্ধ বিভিন্ন সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এম ডি কে কানৈ মহাবিদ্যালয়, ডি এইচ এছ কে মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস, ডিকম পাৰ্বতী দেৱী মধ্য ইংৰাজী বিদ্যালয়ৰ কস্তুৰৰা গান্ধী ছাত্ৰী নিবাস আৰু চাবুৱাৰ অসম বিদ্যাপীঠ হাইস্কুলত স্থাপন কৰা কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন কৰে।

এই পৰিদৰ্শনৰ সময়ত কোৱাৰেণ্টাইন চেণ্টাৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণক ক'ভিড-১৯ প্ৰট'কল কঠোৰভাৱে মানি চলাৰ বাবে আহ্বান জনোৱাৰ উপৰি কোৱাৰেণ্টাইন চেণ্টাৰসমূহত থকা লোককো কোৱাৰেণ্টাইনৰ নীতি নিয়ম কোনো পৰিস্থিতিতে ভংগ নকৰাৰ বাবেও আহ্বান জনায়। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে কোৱাৰেণ্টাইনৰ বিধি-বিধান ভংগ কৰাটো কেৱল আক্ৰান্ত ৰোগীৰ বাবেই নহয়, ইয়ে সমগ্ৰ সমাজ ব্যৱস্থাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পাৰে। সেয়েহে হোম কোৱাৰেণ্টাইনেই হওক বা প্ৰাতিষ্ঠানিক কোৱাৰেণ্টাইনেই হওক, ইয়াৰ নিয়মাৱলী ভংগকাৰীৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ ব্যতিৰেকে কোনো অন্য পথ নাথাকিব। মুখ্যমন্ত্ৰীয়ে

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

লগতে কয় যে ৰাজ্য চৰকাৰে পঞ্চায়ত পৰ্যায়লৈকে কোৱাৰেন্টাইন চেন্টাৰ স্থাপনৰ দিশত পদক্ষেপ লৈ আছে। এই দিশত জনসাধাৰণক সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

লক ডাউনৰ ফলত দেশৰ বিভিন্ন ঠাইত আবদ্ধ হৈ পৰা অসমৰ জনসাধাৰণক ৰাজ্যখনলৈ ওভতাই অনাৰ দিশত ৰাজ্য চৰকাৰে যথাসম্ভৱ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ক'ভিড-১৯ ত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে কোনেও আতংকিত হোৱাৰ প্ৰয়োজন নাই বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্য চৰকাৰে যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ দিশত সম্পূৰ্ণ সক্ষম বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা এই যুঁজখনত জয়লাভ কৰাৰ বাবে সকলোকে মাস্ক পৰিধান, সঘনাই চাবোনেৰে হাতধোৱা, সামাজিক ব্যৱধান মানি চলা ইত্যাদিৰ লেখীয়া স্বাস্থ্য বিভাগে জাৰি কৰা বিধি-বিধানসমূহ কঠোৰভাৱে মানি চলাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড-১৯ আক্ৰান্তসকলক কোনো কাৰণতে ঘৃণাৰ চকুৰে নাচাবলৈও সকলোকে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সম্পৰ্কে নিজৰ নিজৰ সমষ্টিত ব্যাপক জনসচেতনতা সৃষ্টি তথা জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ নিৰীক্ষণৰ দিশত সাংসদ, বিধায়ক তথা অন্যান্য জনপ্ৰতিনিধিসকলে আগবঢ়াই থকা সক্ৰিয় ভূমিকাৰো শলাগ লয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত বিধায়ক প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, তেৰচ গোৱালা, বিনোদ হাজৰিকাৰ লগতে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাও উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**২২/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in